No. of Printed Pages—4

80/83 (ASB3/BBS3)

[19-HBPGKOW–M3S(O) 20M]

MA 3rd Semester (Old) Exam., 2019 (W)

ASSAMESE

[MAS (S3) 10 (Lit)]

(Asomiya Bhakti Sahitya)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ চমু উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) ভক্তি সাহিত্যৰ বাবে প্ৰয়োজনীয় উপাদান কি কি ?

(b) ভটিমা কাক বোলে ?

(c) 'ৰত্নাকৰ' শব্দটোৰ অৰ্থ কি ? 'ভক্তি ৰত্নাকৰ'ৰ সাৰভাগ ক'ৰ পৰা সংগৃহীত ?

(d) ভাগৱতী ধৰ্মৰ গুৰুত্ব কোনে আৰু কিদৰে প্ৰতিষ্ঠা কৰিছিল ?

(e) 'পুৰাণ' শব্দৰ অৰ্থ বিশ্লেষণ কৰক ।

(f) ভাৰতবৰ্ষত কেইখন প্ৰাচীন শক্তিপীঠ আছে আৰু কি কি ?

2. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) ভাৰতীয় ভক্তি সাহিত্যৰ দিশলৈ আলোৱাৰসকলৰ অৱদান সম্পৰ্কে লিখক ।

(b) ভক্তি সাহিত্যৰ অনুবাদ ৰীতিৰ মূল কথাখিনি কি ? চমুকৈ লিখক ।

(c) 'ভক্তি ৰত্নাকৰ'ৰ ভাষাৰ বিষয়ে চমুকৈ লিখক ।

(d) 'ভাগৱত পুৰাণ'ত পুৰাণৰ কেইটা লক্ষণৰ বিষয়ে স্বীকাৰ কৰিছে আৰু কি কি ? বিচাৰ কৰক ।

3. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) চমু টোকা লিখক—দামোদৰ দেৱ, শ্ৰীধৰ কন্দলী।

(b) 'ভাগৱত'ৰ অনুবাদকসকলৰ বিষয়ে আলোচনা কৰক।

(c) আধ্যাত্মিক গ্ৰন্থ ৰূপে 'ভক্তি বিবেক'ৰ বিশ্লেষণ কৰক।

(d) 'শ্ৰীশ্ৰী চণ্ডী'ত বৰ্ণিত দেৱী-মাহাত্ম্যৰ বৰ্ণনা সম্পৰ্কে আলোচনা আগবঢ়াওক।

4. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) সৰ্বভাৰতীয় পৰ্যায়ত আৰম্ভ হোৱা ভক্তি আন্দোলনৰ আৰ্থ-সামাজিক পটভূমি আলোচনা কৰক।

(b) নৱবৈষ্ণৱ ভক্তি সাহিত্যক কেইটা প্ৰধান ভাগত বিভক্ত কৰা হৈছে আৰু কি কি? বহলাই আলোচনা কৰক।

(c) শঙ্কৰদেৱ বিৰচিত 'ভক্তি ৰত্নাকৰ'ৰ মাজেদি প্ৰতিফলিত ভক্তিতত্ত্ব সম্পৰ্কে বিশ্লেষণ কৰক।

(d) 'ভক্তি বিবেক'ত ভট্টদেৱে কিদৰে বিষ্ণুৰ মাহাত্ম্য আৰু সত্যতা প্ৰতিপন্ন কৰিছে, সেই সম্পৰ্কে বহলাই আলোচনা কৰক।

(e) ৰুদ্ৰ সিংহৰ পৰিচয় আগবঢ়াই 'শিৱ পুৰাণ'ত পুৰাণৰ লক্ষণসমূহ কেনেদৰে ৰক্ষিত হৈছে, বহলাই লিখক।

(Continued)